# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 16-01-2025
**Time :** 1715 Hrs

# *Assamese Evening Bulletin*

**- - - - - - - - - - - - - -**

ৰাজ্য চৰকাৰে উমৰাংছ'ৰ তিন কিল' কয়লাখনিত সংঘটিত দুৰ্ঘটনা সন্দৰ্ভত তদন্ত কৰাৰ বাবে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অৱসৰপ্ৰাপ্ত ন্যায়াধীশ অনিমা হাজৰিকাৰ নেতৃত্বত এখন ন্যায়িক তদন্ত আয়োগ গঠন কৰিব। মৰিগাঁৱত আজি অনুষ্ঠিত ৰাজ্যিক মন্ত্ৰীসভাৰ বৈঠকৰ অন্তত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই বিষয়ে উল্লেখ কৰে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই লগতে কয়, যে কয়লাখনিত নিহত ৪ জন শ্ৰমিকৰ নিকটাত্মীয়লৈ ১০ লাখ টকাকৈ এককালীন সাহায্য প্ৰদান  কৰা হ'ব। সন্ধেদ নোপোৱা আন ৫ জন শ্ৰমিকৰ পৰিয়াললৈও ১০ লাখ টকাৰ ক্ষতিপূৰণ প্ৰদান কৰা হ'ব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে ৰাজ্যত ৰেট হোল খননৰ সন্দৰ্ভত সম্পূৰ্ণ নিষেধাজ্ঞা আৰোপৰ বাবে নিৰ্দেশনা যুগুত কৰা হ'ব। ইপিনে ৰাজ্যিক মন্ত্ৰীসভাৰ বৈঠকত মৰিগাঁও জিলাৰ উন্নয়নৰ বাবে বহুকেইটা প্ৰকল্পত অনুমোদন জনোৱা হয়। মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে মৰিগাঁও জিলাৰ উন্নয়ন  আৰু বিকাশৰ বাবে মন্ত্ৰীসভাৰ বৈঠকত ২৯২ কোটি টকাৰ প্ৰকল্পৰ অনুমোদন জনায়। জোনবিল মেলাৰ স্থানত মঞ্চ নিৰ্মাণৰ বাবে ৫ কোটি টকা, মৰিগাঁৱৰ নতুন আৱৰ্ত ভৱন নিৰ্মাণৰ বাবে ১৫ কোটি টকা, তিৱা সাহিত্য সভা ভৱন নিৰ্মাণৰ বাবে ১ কোটি টকা আগবঢ়াবলৈ আজিৰ বৈঠকত সিদ্ধান্ত লোৱা হয়। জিলাখনৰ শতবৰ্ষ গৰকা ৯ খন বিদ্যালয়ৰ উন্নয়নৰ বাবে ৮ কোটি টকাকৈ আগবঢ়াবলৈও আজিৰ বৈঠকত সিদ্ধান্ত লোৱা হয়। বৈঠকত মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতা আঁচনিৰ অধীনত ২ হাজাৰ কোটি টকাৰ অনুমোদন জনায়। এই আঁচনিৰ অধীনত মহিলাসকলক তিনিটা পৰ্যায়ত ঋণ আৰু ৰাজ সাহায্য প্ৰদান কৰা হ'ব। মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ আঁচনিৰ অধীনত ৭৫ হাজাৰ যুৱক-যুৱতীলৈ ৰাজ সাহায্যযুক্ত ঋণ প্ৰদান কৰা হ'ব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। আজিৰ কেবিনেটে বিটিআৰৰ উন্নয়নৰ বাবে ৪০১ কোটি টকাৰ পুঁজিত অনুমোদন জনায়। অংগনৱাড়ী কেন্দ্ৰৰ সঠিক কাৰ্যকৰীকৰণৰ বাবে অংগনৱাড়ী কেন্দ্ৰ ব্যৱস্থাপনা সমিতি গঠনৰ নিৰ্দেশনাতো আজিৰ মন্ত্ৰীসভাৰ বৈঠকে অনুমোদন জনায়।

০০০০০

মৰিগাঁও জিলাৰ জাগীৰোডৰ জোনবিলৰ পাৰত তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে গোভা দেওৰজাৰ পৰম্পৰাগত জোনবিল মেলা অনুষ্ঠিত হৈছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি জোনবিল মেলাত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি মধ্য অসমৰ ২২ গৰাকী তিৱা ৰজাক ৰাজভাট্টা প্ৰদান কৰে। মুখ্যমন্ত্ৰীয়ে অনুষ্ঠানত তিৱা ৰাজ্যৰ বুৰঞ্জী শীৰ্ষক এখন গ্ৰন্থ উন্মোচন কৰে। অনুষ্ঠানত কেইবাগৰাকীও মন্ত্ৰী, বিধায়ক, তিৱা স্বায়ত্ত শাসিত পৰিষদৰ পাৰিষদসকল, গোভা দেওৰজা আৰু জিলাখনৰ আয়ুক্তসহ কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। ইয়াৰ আগতে আজি পুৱা পতাকা উত্তোলনেৰে গোভা ৰজা দীপসিং দেওৰজাই মেলাৰ শুভাৰম্ভ কৰে। বিভিন্ন জাতি-জনগোষ্ঠীয় লোকৰ সমন্বয়ৰ ভূমি জোনবিলৰ পাৰত অনুষ্ঠিত এই মেলাৰ আজি প্ৰথম দিনাই চুবুৰীয়া ৰাজ্য

মেঘালয়ৰ পাহাৰৰ পৰা নামি অহা জনজাতীয় ভাই-ভনীসকলে তেওঁলোকৰ কৃষিজাত সামগ্ৰী পৰম্পৰাগত প্ৰথাৰে ভৈয়ামৰ উৎপাদিত সামগ্ৰীৰ সৈতে বিনিময় কৰে। জনজাতীয় পোছাক পৰিহিত ডেকা-গাভৰুসকলে জোনবিলৰ পাৰত গীত-নৃত্য পৰিবেশন কৰি সম্প্ৰীতিৰ উৎকৃষ্ট নিদৰ্শন দাঙি ধৰে। জোনবিলৰ পাৰত কুকুৰা যুঁজ আৰু সমূহীয়া মাছ ধৰা পৰ্বও সম্পন্ন হয়। তিনিদিনীয়া এই মেলাৰ পৰৱৰ্তী দুটা দিনতো পৰম্পৰাগত খেল-ধেমালি আৰু বিভিন্ন নৃত্য-গীতৰ কাৰ্যসূচী তথা সুস্বাদু খাদ্য মেলা অনুষ্ঠিত হ'ব। গোভা দেওৰজাৰ অৰম বিলত সমূহীয়া মাছ ধৰা পৰ্ব আৰু ৰজাৰ বিষয়াবৰ্গই প্ৰতীকিৰূপত কৰ সংগ্ৰহৰ পাছত শনিবাৰে বিয়লি তিনিদিনীয়া এই মেলাৰ সামৰণি পৰিব।

00000

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে ২০২৪-২৫ বৰ্ষৰ বাবে কাইলৈৰ পৰা ২১ জানুৱাৰীলৈ পুনৰ অনলাইন পঞ্জীয়ন প'ৰ্টেল মুকলি কৰিব। এই সন্দৰ্ভত বিস্তৃত তথ্যৰ বাবে পৰিষদে সংশ্লিষ্ট সকলো পক্ষকে পৰিষদৰ ৱেবছাইট চাবলৈ আহ্বান জনাইছে। নিৰ্দেশনাটোত পৰিষদে স্পষ্ট কৰি দিয়ে যে পৰৱৰ্তী পৰ্যায়ত পঞ্জীয়নৰ বাবে কোনো ধৰণৰ সময় বৃদ্ধি কৰা নহয়। অফলাইনৰ জৰিয়তেও কোনো ধৰণৰ পঞ্জীয়ন পত্ৰ গ্ৰহণ কৰা নহয় বুলি পৰিষদে জানিবলৈ দিছে।

00000

শ্ৰীভূমি জিলাৰ শ্বৰীফ নগৰত আৰক্ষীয়ে আজি ১৫৬ কোটিৰো অধিক টকাৰ মাদক দ্ৰব্য জ্বলাই বিনষ্ট কৰে। জিলাখনৰ বিভিন্ন স্থানৰ পৰা জব্দ কৰা নিচাযুক্ত সামগ্ৰীসমূহ এটা ইটাভাটাত জ্বলাই দিয়া হয়। দক্ষিণ অসম প্ৰান্তৰ আৰক্ষী মহাপৰিদৰ্শক, শ্ৰীভূমিৰ আৰক্ষী অধীক্ষক, জিলা আয়ুক্ত, বি এছ এফৰ শীৰ্ষ বিষয়াৰ উপস্থিতিত মাদক দ্ৰব্যসমূহ বিনষ্ট কৰা হয়।

00000

গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভূতত্ব বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক ড০ চণ্ডীচৰণ ভট্টাচাৰ্যৰ কালি আমেৰিকা যুক্তৰাষ্ট্ৰৰ চিকাগোত বাৰ্ধক্যজনিত কাৰণত মৃত্যু হয়। দৰং জিলাৰ নিজ সৰাবাৰীৰ নিবাসী প্ৰবীন শিক্ষাবিদগৰাকী তেওঁৰ পুত্ৰৰ চিকাগোৰ বাসগৃহত ৯২ বছৰ বয়সত মৃত্যু হয়। ১৯৯৩ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা অৱসৰ লোৱাৰ পাছত তেওঁ নাগালেণ্ড কেন্দ্ৰীয় বিশ্ববিদ্যালয়ত অতিথি অধ্যাপক হিচাপে সেৱা আগবঢ়াইছিল।

00000

সমাপ্ত